# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 19-01-2026
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি পশ্চিমবংগৰ হুগলী জিলাৰ ছিংগুৰত প্ৰায় ৮৩০ কোটি টকা ব্যয় সাপেক্ষে কেইবাটাও উন্নয়নমূলক প্ৰকল্প মুকলি কৰে।

২। ভাৰতীয় জনতা পাৰ্টীৰ ৰাষ্ট্ৰীয় সভাপতিৰ নিৰ্বাচনৰ বাবে মনোনয়নসমূহ আজি দাখিল কৰা হ'ব।

৩। ছুইজাৰলেণ্ডৰ ডাভছত আজি ৱৰ্ল্ড ইকনমিক ফৰাম আৰম্ভ হ'ব। অসমৰ লগতে ভাৰতৰ কেইবাখনো ৰাজ্যৰ মুখ্যমন্ত্ৰীয়ে সন্মিলনত অংশ ল'ব।

৪। চৰকাৰে বিকশিত ভাৰত ঃ নিয়োগ আৰু জীৱিকা নিশ্চিত অভিযান আইন সন্দৰ্ভত প্ৰচাৰিত ভুৱা বাতৰি খণ্ডণ কৰিছে।

*আৰু*

৫। ভাৰতক তৃতীয় এদিনীয়াত ৪১ ৰানত পৰাস্ত কৰি নিউজিলেণ্ডে ২-১ৰ ব্যৱধানত শৃংখলা হস্তগত কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি পশ্চিমবংগৰ হুগলী জিলাৰ ছিংগুৰত প্ৰায় ৮৩০ কোটি টকা ব্যয় সাপেক্ষে কেইবাটাও উন্নয়নমূলক প্ৰকল্প মুকলি কৰে। এখন জনসভাত অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে ভাৰতৰ উন্নয়নৰ বাবে পূৱ ভাৰতৰ উন্নয়ন গুৰুত্বপূৰ্ণ আৰু কেন্দ্ৰীয় চৰকাৰে অহৰহভাৱে উন্নয়নৰ লক্ষ্যত উপনীত হোৱাৰ বাবে কাম কৰি আহিছে। মালদা আৰু হুগলীত তেওঁৰ ভ্ৰমণৰ বিষয়ে উল্লেখ কৰি কয়, যে সমগ্ৰ পশ্চিমবংগতে আন্তঃগাঁথনি আৰু যোগাযোগ শক্তিশালী কৰি তোলাৰ বাবে ১০০ কোটি টকা ব্যয় সাপেক্ষ প্ৰকল্প গ্ৰহণ কৰা হৈছে। ৰেলখণ্ডত বৃহৎ পদক্ষেপৰ কথা উল্লেখ কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে দেশৰ প্ৰথমখন বন্দে ভাৰত শ্লীপাৰ ৰেলগাড়ী যোৱা শনিবাৰে পশ্চিমবংগত মুকলি কৰা হয়। লগতে ৰাজ্যখনে অমৃত ভাৰত এক্সপ্ৰেছ সেৱাৰ ৬ খন ৰেলগাড়ীও লাভ কৰা বুলি প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে উল্লেখ কৰে। কালি প্ৰধানমন্ত্ৰীগৰাকীয়ে কলকাতাৰ সৈতে দিল্লীৰ আনন্দ বিহাৰ টাৰ্মিনেল, বেনাৰস আৰু তামিলনাডুৰ টাম্বৰমক সংযোগ কৰা ৩ খন অমৃত ভাৰত এক্সপ্ৰেছ ৰেলগাড়ীৰ যাত্ৰা মুকলি কৰে। তেওঁ কেন্দ্ৰীয় চৰকাৰে ৰাজ্যখনত বন্দৰ আৰু জলপথ ভিত্তিক উন্নয়নৰ ক্ষেত্ৰতো গুৰুত্ব দিয়া বুলি প্ৰকাশ কৰে। তেওঁ কয়, যে বন্দৰ আৰু আভ্যন্তৰীণ জলপথৰ উন্নয়নে ৰাজ্যখনত নিৰ্মাণ খণ্ড, বাণিজ্য আদিত প্ৰসাৰ ঘটোৱাৰ লগতে নিয়োগ সৃষ্টি কৰিব।

প্ৰধানমন্ত্ৰীগৰাকীয়ে এখন উৰণ সেতু, আন্তঃৰাজ্যিক জল পৰিবহণ টাৰ্মিনেলকে ধৰি বালাগড়ত সম্প্ৰসাৰিত প'ৰ্টগেট ব্যৱস্থাৰ আধাৰশিলাও স্থাপন কৰে। অনুষ্ঠানত সমবেত লোকসকলক সম্বোধন কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে

কয়, যে কেন্দ্ৰীয় চৰকাৰৰ এই প্ৰকল্পসমূহে ৰাজ্যখনৰ উন্নয়ন ত্বৰান্বিত কৰিব। তেওঁ কয়, যে পূব ভাৰতক এখন উন্নত অঞ্চললৈ পৰ্যবসিত কৰাৰ লক্ষ্যেৰে চৰকাৰে প্ৰচেষ্টা অব্যাহত ৰাখিছে। প্ৰায় ৯০০ একৰ ভূমি আৱৰি থকা বালাগড়ক বাৰ্ষিক ২৭ লাখ টন সামৰ্থ্যসহ আধুনিক কাৰ্গ' সৰবৰাহৰ টাৰ্মিনেললৈ উন্নীত কৰা হৈছে। এই প্ৰকল্পৰ জৰিয়তে নগৰ অঞ্চলৰ পৰা গধুৰ ৰচদ-পাতিসমূহৰ সৰবৰাহৰ পৰিমাণ হ্ৰাস কৰি এই ক্ষেত্ৰত সুচলতা অনাৰ প্ৰয়াস কৰা হৈছে। ইয়াৰ জৰিয়তে ক'লকাতা মহানগৰৰ প্ৰদূষণৰ লগতে যান-জঁট হ্ৰাস পোৱাকে ধৰি পথ সুৰক্ষা ত্বৰান্বিত হ'ব বুলি আশা কৰা হৈছে। তদুপৰি, এই উন্নত যোগাযোগ ব্যৱস্থাৰ জৰিয়তে কৃষক, মাছমৰীয়া, ক্ষুদ্ৰ উদ্যোগী, আঞ্চলিক উদ্যোগ তথা কৃষিখণ্ড উপকৃত হোৱাৰ লগতে ভালেসংখ্যক নিয়োগৰ সুবিধা সৃষ্টি কৰিব বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰিছে।

ooooo

ভাৰতীয় জনতা পাৰ্টীৰ ৰাষ্ট্ৰীয় সভাপতিৰ নিৰ্বাচনৰ বাবে মনোনয়নসমূহ আজি দাখিল কৰা হ'ব। দলটোৰ ৰাষ্ট্ৰীয় ৰিটাৰ্ণিং বিষয়া কে. লক্ষ্মণে প্ৰকাশ কৰা নিৰ্বাচনসূচী অনুসৰি, আজি দিনৰ ২ বজাৰ পৰা ৪ বজাৰ ভিতৰত মনোনয়ন পত্ৰসমূহ দাখিল কৰিব পৰা যাব। নতুন দিল্লীত থকা দলৰ মুখ্য কাৰ্যালয়ত সমগ্ৰ নিৰ্বাচনী প্ৰক্ৰিয়া পৰিচালিত হ'ব। মনোনয়ন পত্ৰসমূহ বিয়লি ৪ বজাৰ পৰা পৰ্যবেক্ষণ কৰা হ'ব। সন্ধিয়া ৬ বজা পৰ্যন্ত প্ৰাৰ্থীসকলে মনোনয়ন প্ৰত্যাহাৰ কৰিব পাৰিব। মনোনয়ন প্ৰক্ৰিয়াৰ অন্তত প্ৰয়োজনত কাইলৈ নিৰ্বাচন অনুষ্ঠিত হ'ব। কাইলৈয়ে বিজেপিৰ নতুন ৰাষ্ট্ৰীয় সভাপতিৰ নাম আনুষ্ঠানিকভাৱে ঘোষণা কৰা হ'ব। সম্প্ৰতি কেন্দ্ৰীয় মন্ত্ৰী জগতপ্ৰকাশ নাড্ডাই বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে। শ্ৰীনাড্ডাক ২০১৯ চনত দলটোৰ কাৰ্যকৰী সভাপতি হিচাপে নিয়োজিত কৰা হৈছিল আৰু ২০২০ চনৰ জানুৱাৰীত তেওঁক ৰাষ্ট্ৰীয় সভাপতি অমিত শ্বাহৰ স্থলাভিষিক্ত কৰা হৈছিল।

ooooo

ছুইজাৰলেণ্ডৰ ডাভোছত আজি ৱৰ্ল্ড ইক'নমিক ফ'ৰাম আৰম্ভ হ'ব। সন্মিলনত ৫৬ সংখ্যক বাৰ্ষিক বৈঠকত বিশ্বৰ ৩ হাজাৰৰো অধিক নেতাই অংশগ্ৰহণ কৰাৰ কথা।

পাঁচদিনীয়া এই অনুষ্ঠানত অংশগ্ৰহণ কৰিবলৈ ভাৰতৰ ১০০গৰাকীৰো অধিক মুখ্য কাৰ্যবাহী বিষয়াকে ধৰি চৰকাৰী বৃহৎ প্ৰতিনিধি দল এটাই ইতিমধ্যে ছুইজাৰলেণ্ডৰ চহৰখনত বাহৰ পাতিছে। কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱ, প্ৰহ্লাদ যোশী আৰু কে ৰামমোহন নাইডু এই সন্মিলনত উপস্থিত থকাৰ লগতে দ্বিপাক্ষিক বৈঠকত উপস্থিত থকাৰ সম্ভাৱনা আছে। অসমকে ধৰি মহাৰাষ্ট্ৰ, অন্ধ্ৰ প্ৰদেশ, মধ্য প্ৰদেশ আৰু ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰীকেইগৰাকীয়ে বিনিয়োগকাৰীসকলৰ সন্মুখত নিজ নিজ ৰাজ্যক প্ৰতিনিধিত্ব কৰিব।

ইপিনে, প্ৰথমগৰাকী অসমীয়া হিচাপে এই সন্মিলনত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰিবলৈ ওলোৱাৰ বিষয়টোৱে ৰাজ্যখনৰ বাবে যথেষ্ট গুৰুত্ব বহন কৰিছে। ৫ দিনীয়া এই সন্মিলনত মুখ্যমন্ত্ৰীগৰাকীৰ মাধ্যমেৰে অসমে আৰ্থিক ক্ষেত্ৰত অংশীদাৰিত্ব শক্তিশালী কৰাৰ লগতে

বিনিয়োগ আকৰ্ষণ, স্থায়ী উন্নয়ন তথা প্ৰযুক্তিগত উদ্ভাৱনত আগবাঢ়ি যোৱাৰ সুযোগ লাভ কৰিব বুলি ধাৰণা কৰা হৈছে।

০০০০০

আমেৰিকাৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক গাজাত শান্তি স্থাপন প্ৰক্ৰিয়াৰ প্ৰচেষ্টাৰ বাবে গঠন কৰা শান্তি পৰিষদ বা বোৰ্ড অব্ পীচৰ অংশ হ'বলৈ আহ্বান জনাইছে। আমেৰিকান ৰাষ্ট্ৰপতিগৰাকীয়ে এই সন্দৰ্ভত প্ৰধানমন্ত্ৰী শ্ৰীমোদীলৈ পঠোৱা পত্ৰ ভাৰতত থকা আমেৰিকাৰ ৰাষ্ট্ৰদূত ছেৰগিঅ' গড়ে  সামাজিক মাধ্যমত শ্বেয়াৰ কৰিছে। ইয়াৰ জৰিয়তে গাজাত শান্তি স্থাপন হ'ব বুলি আশা কৰা হৈছে। অৱশ্যে ভাৰতে ট্ৰাম্পৰ এই আহ্বানৰ প্ৰতি সঁহাৰি জনাব নে নাই সেই কথা বৰ্তমানলৈ সদৰী কৰা নাই।

০০০০০

চৰকাৰে **বিকশিত ভাৰত ঃ নিয়োগ আৰু জীৱিকা নিশ্চিত অভিযান আইন** সন্দৰ্ভত প্ৰচাৰিত ভুৱা বাতৰি খণ্ডণ কৰিছে। বিৰোধী দলে আইনখনৰ সমালোচনা কৰা কাৰ্য তথ্য আধাৰিত নহয় আৰু ই জনসাধাৰণক বিপথে পৰিচালিত কৰিছে বুলি চৰকাৰী সূত্ৰই প্ৰকাশ কৰিছে। সূত্ৰটোৱে প্ৰকাশ কৰা মতে এই আইনখনৰ জৰিয়তে গাঁৱৰ পৰিয়ালসমূহৰ কমেও ১২৫ দিনৰ নিয়োগ নিশ্চিত কৰা হৈছে। এই আইনৰ জৰিয়তে ১৫ দিনৰ ভিতৰত কৰ্ম সংস্থাপন নিদিলে নিৰনুৱা ভাট্টা দিয়াটো বাধ্যতামূলক কৰা হৈছে। শ্ৰমিকৰ মজুৰি সন্দৰ্ভত এই আইনখনত স্পষ্টভাৱে উল্লেখ আছে। প্ৰতিজন লোকে প্ৰতিদিনৰ কামৰ বিপৰীতে আইনখনত উল্লেখ কৰা নিৰিখত মজুৰি লাভ কৰিব। চৰকাৰী সূত্ৰই জনোৱা অনুসৰি এই আইনৰ অধীনত প্ৰতি বছৰে মজুৰিৰ পৰিমাণ উল্লেখ থাকিব আৰু পূৰ্বৰ এমএনৰেগাৰ মজুৰিতকৈ ইয়াৰ পৰিমাণ বৃদ্ধি হ'ব। এই আইনৰ জৰিয়তে শ্ৰমিকসকলক সপ্তাহ বা পযেকৰ অন্তত মজুৰি দিয়া হ'ব।

০০০০০

ছত্তীশগড় জিলাৰ বিজাপুৰত নিৰাপত্তা বাহিনীৰে হোৱা সংঘৰ্ষত চাৰিগৰাকী মহিলা কেডাৰকে ধৰি ছজন মাওবাদীৰ মৃত্যু হয়। এয়া মাওবাদী কাৰ্যকলাপৰ বিৰুদ্ধে অঞ্চলটোত চলা জিলা ৰিজাৰ্ভ গাৰ্ড, কোব্ৰা আৰু বিশেষ টাস্ক ফ'ৰ্চৰ যৌথ অভিযানৰ অন্যতম সফলতাৰূপে বিবেচিত হৈছে। নিহত মাওবাদীকেইজনৰ ৪জন চিনাক্ত হ'লেও বাকী দুজনৰ এতিয়ালৈ পৰিচয় জানিব পৰা হোৱা নাই।

নিৰাপত্তা বাহিনীৰ বিষয়াসকলে নিশ্চিত কৰিছে যে, মৃত মাওবাদীকেইজনৰ অন্যতম দিলীপ বেডজাই দীৰ্ঘদিন ধৰি ইন্দ্ৰাৱতী সংৰক্ষিত বনাঞ্চল তথা ৰাষ্ট্ৰীয় উদ্যান অঞ্চলত সক্ৰিয় হৈ আছিল আৰু ৰাজ্যখনৰ বিৰুদ্ধে হিংসাত্মক অভিযানৰ পৰিকল্পনা ৰচিছিল। উপ-মুখ্যমন্ত্ৰী বিজয় শৰ্মাই মন্তব্য কৰিছে যে, বাৰম্বাৰ আত্মসমৰ্পণৰ বাবে জনোৱা আহ্বান নাকচ কৰাৰ পাছত বেডজাক নিষ্ক্ৰিয় কৰা হয়। শ্ৰীশৰ্মাই লগতে কয় যে বেডজাৰ মৃত্যুৰ লগে লগে ৰাষ্ট্ৰীয় উদ্যান অঞ্চলটোক এতিয়া মাওবাদীৰ উপস্থিতিৰ পৰা প্ৰায় মুক্ত বুলি গণ্য কৰিব পৰা যাব।

সংঘৰ্ষস্থলীৰ পৰা দুটা এ কে ৪৭ ৰাইফল, এটা ইনছাছ ৰাইফল, দুটা .৩০৩ ৰাইফল আৰু ৬টা গ্ৰেনেডকে ধৰি বৃহৎ পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰ উদ্ধাৰ কৰা হয়।

ইপিনে, ৰাজ্যখনৰ মুখ্যমন্ত্ৰী বিষ্ণু দেও ছাইয়ে মাওবাদীসকলক হিংসা পৰিত্যাগ কৰি মূলসুঁতিলৈ উভতিবলৈ আহ্বান জনাইছে। তেওঁলোকৰ ন্যায়, নিৰাপত্তা আৰু মৰ্যাদাৰে পুনৰ্সংস্থাপনৰ বাবে চৰকাৰ সম্পূৰ্ণ প্ৰতিশ্ৰুতিবদ্ধ বুলি তেওঁ সামাজিক মাধ্যমযোগে প্ৰকাশ কৰে।

০০০০০

চিলিৰ মধ্য আৰু দক্ষিণ অঞ্চলত কালি সংঘটিত বন জুইৰ ফলত কমেও ১৮ জন লোক নিহত হয়। এই বনজুইত এহেজাৰ একৰ বনভূমি জাহ যোৱাৰ লগতে ভালেসংখ্যক বাসগৃহ ভস্মীভূত হয়। চিলিৰ ৰাষ্ট্ৰপতি গেব্ৰিয়েল বৰিকে ৰাজধানী ছেণ্টিয়াগোৰ পৰা ৫০০ কিলোমিটাৰ দক্ষিণৰ মধ্য বায়'বিয়' অঞ্চলত আৰু কাষৰীয়া নুবল অঞ্চলত জৰুৰীকালীন অৱস্থা ঘোষণা কৰিছে। চিলিৰ নিৰাপত্তা মন্ত্ৰী লুইচ কাৰ্ডৰোই কয়, যে এই জৰুৰীকালীন অৱস্থা ঘোষণাৰ ফলত অঞ্চলটোত থকা ৫০ হাজাৰ লোকক সুৰক্ষিত স্থানলৈ লৈ যোৱাটো সম্ভৱ হ'ব। ৰাষ্ট্ৰপতি বৰিকে সামাজিক মাধ্যম এক্স হেণ্ডেলত এই বনজুইৰ বিষয়ে সদৰী কৰি কয়, যে ইয়াৰ পৰা পৰিত্ৰাণ পাবলৈ সকলো সুবিধা মজুত ৰখা হৈছে। কিন্তু স্থানীয় প্ৰশাসনৰ সূত্ৰই অভিযোগ কৰে যে, কালি ৪ ঘণ্টা ধৰি এই অঞ্চলসমূহত বন জুইৰ ফলত উত্তেজনাময় পৰিস্থিতিৰ সৃষ্টি হোৱাৰ লগতে চৰকাৰৰ পৰা কোনো ধৰণৰ সঁহাৰি লাভ কৰা নাছিল।

০০০০০

ভাৰত ভ্ৰমণলৈ অহা নিউজিলেণ্ড পুৰুষ ক্ৰিকেট দলে ২-১ৰ ব্যৱধানত এদিনীয়া শৃংখলা হস্তগত কৰিছে। যোৱা নিশা ইন্দোৰত অনুষ্ঠিত শৃংখলাৰ তৃতীয়খন এদিনীয়াত আলহী দলটো ৪১ ৰাণত জয়ী হয়।

কিৱি বাহিনীয়ে বান্ধি দিয়া ৩৩৮ ৰাণৰ লক্ষ্য অনুসৰণ কৰি ভাৰতে ৪৬ অভাৰত মাত্ৰ ২৯৬ ৰাণহে কৰিবলৈ সমৰ্থ হয়। বিৰাট কোহলীয়ে শতকীয় ইনিংছেৰে শেষলৈ যুঁজ দিয়ে যদিও জয়ৰ বাবে সেয়া পৰ্যাপ্ত নাছিল। কোহলীয়ে ১২৪ ৰাণ কৰে।

ইয়াৰ পূৰ্বে, প্ৰথমে বেটিং কৰিবলৈ আমন্ত্ৰণ লাভ কৰা নিউজিলেণ্ডে নিৰ্ধাৰিত অ'ভাৰত ৮ টা উইকেট হেৰুৱাই ৩৩৮ ৰাণ সংগ্ৰহ কৰে। দুৰ্দান্ত প্ৰদৰ্শনৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখি ডেৰিল মিচ্চেলে সৰ্বাধিক ১৩৭ আৰু গ্লেন ফিলিপছে ১০৪ ৰাণ কৰে। প্ৰত্যুত্তৰত প্ৰথম ১৩ অ'ভাৰতে ৪টা উইকেট হেৰুৱাই বিপদত পৰা ভাৰতক কোহলীয়ে কেইবাগৰাকীও খেলুৱৈৰ সৈতে যুটী বান্ধি উদ্ধাৰৰ চেষ্টা চলায় যদিও মূৰকত ভাৰতে ২৯৬ ৰাণতে ইনিংছ সামৰিবলগীয়া হয় ।

কিৱি দলটোৰ ডেৰিল মিচ্চেললৈ খেলখনৰ লগতে শৃংখলাৰো শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা আগবঢ়োৱা হয়।

০০০০০

**সমাপ্ত**